# সংক্ষিপ্তসাৰ

অসম সাহিত্য সভা

আৰু জনজাতি অধ্যয়ন কেন্দ্ৰ, বিকালী মহাবিদ্যালয়ৰ যৌথ উদ্যোগত

## ৰাষ্ট্ৰীয় কৰ্মশালা আৰু আলোচনা সত্ৰ

মুখ্য বিষয় ঃ অসমৰ লোকনাট্য ঐতিহ্য আৰু পৰম্পৰা

(ভাৰীগানৰ বিশেষ উল্লিখনসহ)

দিনাংক ঃ ৫ ছেপ্টেম্বৰ, ২০১৫

# সংক্ষিপ্তসাৰ

অসম সাহিত্য সভা

আৰু জনজাতি অধ্যয়ন কেন্দ্ৰ, বিকালী মহাবিদ্যালয়ৰ যৌথ উদ্যোগত

## ৰাষ্ট্ৰীয় কৰ্মশালা আৰু আলোচনা সত্ৰ

মুখ্য বিষয় ঃ অসমৰ লোকনাট্য ঐতিহ্য আৰু পৰম্পৰা

(ভাৰীগানৰ বিশেষ উল্লিখনসহ)

দিনাংক ঃ ৫ ছেপ্টেম্বৰ, ২০১৫

সংক্ষিপ্তসাৰ ঃ ৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ বাবে সংকলিত ৰচনাসমূহৰ সংক্ষিপ্তসাৰ সংকলন।

প্ৰকাশক ঃ ড° আল্‌পনা সৰকাৰ
সমন্বয়ক, জনজাতি অধ্যয়ন কেন্দ্ৰ
বিকালী মহাবিদ্যালয়, ধূপধৰা।

# সংকলকৰ একাষাৰ

অসম সাহিত্য সভা আৰু জনজাতি অধ্যয়ন কেন্দ্ৰ, বিকালী মহাবিদ্যালয়ৰ যৌথ উদ্যোগত ১৫, ১৬, ১৭ আৰু ১৮ ভাদ, ১৪২২ ভাস্কৰাব্দ (২,৩,৪ আৰু ৫ চেপ্টেম্বৰ, ২০১৫ খ্ৰীষ্টাব্দ) এই চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিকালী মহাবিদ্যালয়ত 'অসমৰ লোকনাট্যঃ ঐতিহ্য আৰু পৰম্পৰা (ভাৰীগানৰ বিশেষ উল্লিখনসহ)' শীৰ্ষক এখন ৰাষ্ট্ৰীয় কৰ্মশালা আৰু আলোচনা সত্ৰৰ আয়োজন কৰা হৈছে। আমাৰ আহ্বানমৰ্মে আলোচনা সত্ৰত যোগদান কৰিবৰ বাবে আমালৈ বিভিন্ন প্ৰান্তৰ বহু শিক্ষক, গৱেষক আৰু আগ্ৰহী ব্যক্তিয়ে তেওঁলোকৰ গৱেষণা পত্ৰৰ সংক্ষিপ্তসাৰ প্ৰেৰণ কৰিছে। কেইগৰাকীমান গৱেষকে পঠিওৱা সংক্ষিপ্তসাৰত নাম অথবা যোগাযোগৰ নম্বৰ দিয়া নাই। গতিকে সেইখিনি সংক্ষিপ্তসাৰ প্ৰকাশ কৰিব পৰা নহ'ল। তাৰ বাবে আমি দুঃখিত। বিভিন্ন ব্যস্ততাৰ মাজত কম সময়ৰ ভিতৰতে গৱেষণা পত্ৰৰ সাৰকথা-সংকলনখনি উলিয়াবলগীয়া হোৱাত অজানিতে কিছু ভুল-ত্ৰুটি থাকি যাব পাৰে। গতিকে এনে ভুলৰ বাবে শিক্ষক গৱেষকসকলে আমাৰ দোষ মৰিষণ কৰে যেন। বৰ্ণাশুদ্ধিৰ বাহিৰে কোনো গৱেষকৰ নিজস্ব মন্তব্যত আমি হাত দিয়া নাই।

**আল্পনা সৰকাৰ**
সংযোজিকা
জনজাতি অধ্যয়ন কেন্দ্ৰ
বিকালী মহাবিদ্যালয়, ধূপধৰা।

# সূচী

পৃষ্ঠা


| | | |
|---|---|---|
| ● ভাৰীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভাউৰীয়াঃ গৰৈমাৰা কৃষক খুলীয়া ভাওনাৰ উল্লিখনসহ | বিজয়া ডেকা | ১ |
| ● ভাৰীগান আৰু কুশান গানৰ তুলনামূলক অধ্যয়ন | জয়শ্ৰী কলিতা | ২ |
| ● ভাৰীগান আৰু কুশান গান ঃ এটি তুলনামূলক আলোচনা | কৰবী খেৰকটাৰী বড়ো | ৩ |
| ● ভাৰীগান আৰু লোকবিশ্বাস ঃ এটি অধ্যয়ন | আবু আয়ুব আহমেদ | ৪ |
| ● অসমৰ লোক নাট্যানুষ্ঠানত -ভাৰীগানঃ এটি অধ্যয়ন | তৰালী বড়ো | ৫ |
| ● অসমৰ দুই লোক নাট্যানুষ্ঠান ভাৰীগান, খুলীয়া ভাউৰীয়া আৰু এই দুই নাট্যানুষ্ঠানৰ পৰিৱৰ্তন ঃ এক সমীক্ষা | নৱনীতা গোস্বামী | ৬ |
| ● "ভাৰীগান আৰু কুশান গান- গোৱালপাৰা লোক সংস্কৃতিৰ দুটা অনবদ্য লোক নাট্যানুষ্ঠান" | বুলমণি কলিতা | ৭ |
| ● অসমৰ পশ্চিম অঞ্চলৰ প্ৰচলিত লোক-নাট্যানুষ্ঠান 'কুশান গান' ঃ এটি অধ্যয়ন | গোবিন্দ বৈশ্য<br>ড° ডিম্বেশ্বৰ দাস | ৮ |
| ● অসমীয়া সমাজত প্ৰচলিত লোক-নাট্যানুষ্ঠান ঃ এক আলোচনা | মৃনাল চন্দ্ৰ বৈশ্য<br>ৰ'দালি সপোন বৰগোহাঞি | ৯ |
| ● লোকনাট্যধৰ্মী অনুষ্ঠান ভাৰীগান আৰু খুলীয়া ভাউৰীয়া ঃ এটি অধ্যয়ন | পুৰবী বড়ো<br>মনোমতী বড়ো | ১০ |
| ● গোৱালপাৰা জিলাৰ লোকনাট্যৰ এক সমীক্ষাত্মক অধ্যয়নঃ ভাৰীগান আৰু কুশান গানৰ উল্লিখনসহ | ড° কুলেন্দু নাথ<br>ড° স্নিগ্ধা দাস নাথ | ১১ |
| ● নামনি অসমৰ লোক নাট্যানুষ্ঠান কোৰ্কা ঢুলীয়া (বস্তাপাৰ্টী) ঃ ইয়াত প্ৰতিফলিত লোক সমাজ আৰু সংস্কৃতি | বুলুমণি ৰাভা | ১২ |
| ● অসমৰ লোকনাট্যানুষ্ঠান 'ভাৰীগান'ঃ পৰম্পৰা আৰু পৰিবৰ্তন | আব্দলু মজিদ সেখ<br>আবু শ্বামা আহমেদ | ১৩ |
| ● অসমৰ লোকনাট্য অনুষ্ঠান ভাৰীগান আৰু পুতলা নাচৰ এক তুলনামূলক আলোচনা | ড° চৈয়দা নচিফা ইছলাম ৰাজবংশী | ১৪ |
| ● গোৱালপাৰাৰ লোক নাট্যানুষ্ঠান ভাৰীগানঃ এটি আলোকপাত | প্ৰণীতা মহন্ত<br>দীপিকা ৰাভা | ১৫ |
| ● ভাৰীগানৰ উদ্ভৱ আৰু বিকাশ এক বিশ্লেষণাত্মক অধ্যয়ন | কণমণি কলিতা<br>নিৰুপা ৰায | ১৬ |

| | | পৃষ্ঠা |
|---|---|---|
| • ভাৰীগান আৰু খুলীয়া ভাউৰীয়াঃ এটি আলোচনা | তৰুলতা ডেকা | ১৭ |
| • ভাৰীগানত ব্যৱহৃত মুখা ঃ এক অধ্যয়ন | ৰুকুনুদ্দিন আহমেদ | ১৮ |
| • গোৱালপৰীয়া লোকনাট্যানুষ্ঠানত খাৰাতাল গানঃ এটি চমু আলোচনা | ড° তেজস্বিনী নাথ | ১৯ |
| • দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত ভাৰীগানৰ এক সমীক্ষাত্মক অধ্যয়ন | তুনুকা ৰাভা | ২০ |
| • ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ এটি পৰ্যালোচনা | ৰীনা দাস<br>দীপ্তি দাস | ২১ |
| • গোৱালপৰীয়া লোকনাট্যানুষ্ঠান ভাৰীগানৰ এক চমু পৰ্য্যালোচনা | হীৰামণি দেৱী<br>অনুস্মিতা বায়ন | ২২ |
| • ভাৰীগান আৰু কুশানগানৰ তুলনামূলক অধ্যয়ন | মৌচুমী ৰাভা<br>অদিতি ৰায | ২৩ |
| • ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ পৰম্পৰা আৰু পৰিৱৰ্তন ঃ এক সম্যক আলোচনা | অংকুৰ জ্যোতি তালুকদাৰ<br>নাৰায়ণ সূত্ৰধৰ | ২৪ |
| • গোৱালপাৰা জিলাৰ পাতি ৰাভা সমাজৰ ভাৰী গান ঃ এটি চমু আলোচনা | বুদ্ধিৰাজ বড়ো<br>দীলিপ হাজৰিকা | ২৫ |
| • পৰিৱেশ্য কলা ভাৰীগানৰ ঐতিহ্য আৰু পৰিৱৰ্তন | স্নিগ্ধা কটকী | ২৬ |
| • BHARIGAAN: ITS ORIGIN AND DEVELOPMENT IN ASSAM | Dr. M.Gopal Singha | ২৭ |
| • Socio-cultural Impact of Puppetry on Assam | Binita Devi<br>Simanta Sarma | ২৮ |
| • Folk Media as a Method of Message for Societal Advancement in Assam, India | GUPTAJIT PATHAK<br>RUPAK DAS | ২৯ |
| • FOLK THEATERE OF THE BODOS : A STUDY | Mamani Daimary | ৩০ |
| • SOCIAL FUNCTION OF ' EKTHENGIA' A SEMI-DRAMATIC PERFORMANCE IN BORO | Lakshmi Basumatary<br>Tarun Narzary<br>Raje Brahma | ৩০ |
| • A preliminary appraisal of two folk plays of Goalpara region: Bhaarigaan and Kusangan | HaripriyaSarma<br>Utpala Das | ৩১ |

# ভাৰীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভাউৰীয়াঃ গৰৈমাৰা কৃষক খুলীয়া ভাওনাৰ উল্লিখনসহ

**বিজয়া ডেকা**
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

গীত, নৃত্য আৰু অভিনয়ৰ সমাহাৰকে লোক পৰিৱেশ্য কলা বোলে। এই পৰিৱেশ্য কলা ৰীতিয়ে অসমীয়া লোক সংস্কৃতিক বৈচিত্ৰ্য প্ৰদান কৰিছে। অসমত বাসকৰা বিভিন্ন জাতি, জনগোষ্ঠীৰ্ মাজত বিভিন্ন পৰিৱেশ্য কলা প্ৰদৰ্শন কৰা দেখা যায়। এইবোৰে অসমীয়া সংস্কৃতিক চহকী কৰি তুলিছে আৰু বিশেষ মৰ্যাদা লাভ কৰাত সহায় কৰিছে।

পৰিৱেশ্য কলা সমূহত বিভিন্ন প্ৰকাৰৰ লোকবাদ্যৰ ব্যৱহাৰ দেখা যায়। যেনে- সৰু ঢোল, জয়ঢোল, ঢেপাঢোল, বৰ ঢোল, বিহুঢোল, নাগাৰা, ডগৰ, ডম্বৰু, বীণ, বেনা, একতাঁৰা, দোতাৰা, টোকাৰী, গগণা, তাল,বৰতাল, খুটিতাল, ভোৰতাল, খঞ্জৰী, বাঁহী, কালি,পেঁপা, সুতলী, চিফুং, শংখ আদি অনেক বাদ্যৰ ব্যৱহাৰে পৰিৱেশ্য কলাসমূহক আকৰ্ষণীয় কৰি তোলে। ৰামায়ণ-মহাভাৰত আশ্ৰয়ী কাহিনী, সাজসজ্জা, মুখাৰ ব্যৱহাৰ আৰু উপস্থাপন শৈলীয়ে লোক পৰিৱেশ্য কলাসমূহক বিচিত্ৰতা প্ৰদান কৰিছে। ভাৰতবৰ্ষৰ নানান ঠাইত নানান ৰূপত পৰিৱেশ্য কলা থকাৰ দৰে অসমতো ইয়াৰ প্ৰদৰ্শন দেখা যায়। অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ নামনি অসমত পৰিৱেশ্য কলাৰ পয়োভৰ দেখা যায়। দৰং জিলা আৰু কামৰূপ জিলাৰ কেবা ঠাইতো পুতলা নাচ, ওজাপালি অনুষ্ঠান আছে। আনহাতে কামৰূপীয়া ঢুলীয়া আৰু দৰঙৰ ঢেপা ঢুলীয়া অতি জনপ্ৰিয়। সাধাৰণতে কোনো সমকালীন ঘটনাক লৈ ঢুলীয়া প্ৰদৰ্শন কৰা হয়। ই সম্পূৰ্ণৰূপে হাস্য ব্যংগাত্মক। দৰঙৰ খুলীয়া ভাউৰীয়া অতি হৃদয়স্পৰ্শী অনুষ্ঠান। সেইদৰে গোৱালপাৰা জিলাৰ পশ্চিমাংশত কুশান গান আৰু ভাৰীগান পৰিৱেশন কৰা হয়।

খুলীয়া ভাওনাত মূল অভিনেতাৰ উপৰিও বহুবাৰ ব্যৱহাৰ আৰু মুখাৰ ব্যৱহাৰ থকাৰ দৰে ভাৰীগানতো দেখা যায়। দৰং জিলাৰ আন আন খুলীয়া ভাউৰীয়াৰ দৰে 'গৰৈমাৰা কৃষক খুলীয়া ভাওনা' দলটিয়ে ভালেমান বছৰ ধৰি নানান ঠাইত নাট্য প্ৰদৰ্শন কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

এই অধ্যয়নত খুলীয়া ভাউৰীয়া আৰু ভাৰীগানৰ মাজত থকা সাদৃশ দেখুওৱাৰ লগতে দৰঙৰ 'গৰৈমাৰা কৃষক খুলীয়া ভাউৰীয়া' ৰ ওপৰত আলোকপাত কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হৈছে। এই অধ্যয়নত প্ৰাথমিক আৰু গৌণ তথ্য আৰু বৰ্ণনাত্মক জৰিপ পদ্ধতি ব্যৱহাৰ হৈছে।

মূলশব্দ ঃ পৰিবেশ্য কলা, ভাৰীগান, খুলীয়া ভাউৰীয়া, মুখ, বাদ্যযন্ত্ৰ।

••••

# ভাৰীগান আৰু কুশান গানৰ তুলনামূলক অধ্যয়ন

জয়শ্ৰী কলিতা
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
আগিয়া মহাবিদ্যালয়

লোক সংস্কৃতিৰ অন্তৰ্গত লোক পৰিৱেশ্য কলাৰ এটা অন্যতম অংগ হ'ল লোকনাট্য। অসমত প্ৰচলিত পৰম্পৰাগত লোকনাট্যানুষ্ঠান ওজাপালি, পুতলানাচ, ঢুলীয়া ভাওনা, খুলীয়া ভাউৰীয়াৰ সমৰ্ধমী উল্লেখযোগ্য লোক নাট্যানুষ্ঠান হ'ল ভাৰীগান। ভাৰীগান ঘাইকৈ গোৱালপাৰা জিলাৰ দক্ষিণ পশ্চিম অঞ্চল, দক্ষিণ-কামৰূপ আৰু অসম - মেঘালয়ৰ সীমান্তত অৱস্থিত ৰাভা অধ্যুষিত অঞ্চলৰ ৰাভাজনগোষ্ঠীৰ মাজত প্ৰচলিত হৈ আহিছে। ভাৰীগানৰ বিষয়বস্তু ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনীৰ আধাৰত পৰিৱেশন কৰা হয়। ভাৰীগানৰ দলসমূহে বিশেষভাৱে ৰামায়নৰ কাহিনীৰ বিষয়বস্তু হিচাপে লৈ ৰাৱণ বধ, মহীৰাৱন বধ, শক্তিশেল, তৰণীসেণ বধ, পাতাল কাণ্ড, বালিবধ আদি নাট মঞ্চস্থ কৰি ৰামায়নৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি আহিছে। ভাৰী-গানৰ বিষয়বস্তু লোক জীৱনৰ উদ্দেশ্যে ৰচিত হোৱা বাবে অৱসৰ বিনোদনৰ সময়ত গঞা ৰাইজক আনন্দ প্ৰদান কৰাই ইয়াৰ ঘাই উদ্দেশ্য। ভাৰীগানৰ দলত মূল বা ওজা, দোহাৰী আৰু পালিয়ে মূখ্য ভূমিকা গ্ৰহণ কৰে। মুখাৰ ব্যৱহাৰ ভাৰীগানৰ প্ৰধান বৈশিষ্ট্য। গীতি প্ৰাধ্যান্যতা ভাৰীগানৰ আন এটা প্ৰধান বৈশিষ্ট্য। গীত, নৃত্য, বাদ্য আৰু অভিনয়ৰ সু-সমন্বয়ত গঢ় লৈ উঠা ভাৰীগান এক অন্যতম লোক-নাট্যানুষ্ঠান।

অসমৰ পৰম্পৰাগত লোক-নাট্যানুষ্ঠান সমূহৰ ভিতৰত অইন এক শ্ৰেণীৰ উল্লেখযোগ্য লোক-নাট্যানুষ্ঠান হ'ল কুশান গান। এই লোক-অনুষ্ঠানটো অবিভক্ত গোৱালপাৰা জিলাৰ সম্প্ৰতি ঘাইকৈ ধুবুৰী, বঙ্গাইগাওঁ জিলাৰ কোঁচ-ৰাজবংশী অধ্যুষিত অঞ্চলত প্ৰচলিত হৈ আছে। বিশেষকৈ কুশান গান ধুবুৰী জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলত প্ৰচলিত এক শ্ৰেণীৰ উল্লেখযোগ্য লোক-নাট্যানুষ্ঠান। কুশান গানৰ মূল বিষয়বস্তু ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীৰ আধাৰত ৰচিত যদিও বিশেষভাৱে ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচিত প্ৰচলন অধিক। কুশান গানৰ দলত গীতাল বা গায়কে মূখ্য ভূমিকা গ্ৰহণ কৰাৰ উপৰিও এজন প্ৰধান দোৱাৰী বা দোহাৰী, বাদক বা বাইন, নৰ্ত্তকীবেশী লৰা বা চেঙেৰা, এজন দাইনা পালি আৰু কেবাজনো পালি থাকে। কুশান গানত দোৱাৰীৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। কুশান গানৰ অভিনয় সৰস্বতী বন্দনাৰে আৰম্ভ হয়। কুশান গানত বেনাৰ ব্যৱহাৰ অপৰিহাৰ্য। মুঠতে নৃত্য, গীত, বাদ্য আৰু অভিনয়ৰ সমন্বয়ত গঢ় লৈ উঠা কুশানগানে অসমীয়া লোক সংস্কৃতিৰ পথাৰত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

আমাৰ এই আলোচনা পত্ৰৰ যোগেদি অসমত অতি প্ৰাচীন কালৰে পৰা পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা দুটা জনপ্ৰিয় লোক-নাট্যানুষ্ঠান ভাৰীগান আৰু কুশান গানৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰি তুলনামূলক অধ্যয়ন কৰা হ'ব। বৰ্ত্তমানলৈ ভাৰীগান আৰু কুশান গানৰ তুলনামূলক অধ্যয়ন হোৱা নাই, সেয়েহে দুয়োটা লোক নাট্যানুষ্ঠানৰ অসংৰক্ষিত আৰু অৱহেলিত অৱস্থান থকা সমল সমূহ সংগ্ৰহ কৰি প্ৰণালীবদ্ধ কৰণৰ ব্যৱস্থা কৰাই এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য। আলোচনা পত্ৰখন যুগুত কৰোতে ঘাইকৈ মূখ্য আৰু গৌণ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হ'ব। মূখ্য তথ্যৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়ন আৰু গৌণ তথ্যৰ ক্ষেত্ৰত বিষয়টোৰ লগত সম্পৰ্ক তথা বিভিন্ন সমালোচনা মূলক গ্ৰন্থ প্ৰবন্ধ আৰু আলোচনীৰ সহায়ত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰে প্ৰস্তুত কৰা হ'ব। ●●●●

# ভাৰীগান আৰু কুশান গান ঃ এটি তুলনামূলক আলোচনা

**কৰবী খেৰকটাৰী বড়ো**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
প্ৰাগজ্যোতিষ মহাবিদ্যালয়

অসমৰ লোকসংস্কৃতিত অবিভক্ত গোৱালপাৰা জিলাৰ লোকসংস্কৃতিয়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। বড়ো, ৰাভা, কোচ-ৰাজবংশী, মুছলমান, বঙালী আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক সমলে এই অঞ্চলৰ সংস্কৃতিক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে ।

এই অঞ্চল পৰিৱেশ্য কলাৰ এক উৰ্বৰ প্ৰান্ত। এই অঞ্চলৰ পৰিৱেশ্য কলাৰূপৰ ভিতৰত লোকনাট্যানুষ্ঠানসমূহে এক বিশেষ স্থান অধিকাৰ কৰি আছে। অবিভক্ত গোৱালপাৰা জিলাৰ লোকনাট্যানুষ্ঠানৰ ভিতৰত ভাৰীগান আৰু কুশানগান দুটি বিশিষ্ট লোকনাট্যানুষ্ঠান। দুয়োবিধ লোকনাট্যানুষ্ঠান স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল যদিও উভয়বিধ অনুষ্ঠানৰ উদ্ভৱ-বিকাশ, বিষয়বস্তু, আংগিক, অভিনয়, গীত-নৃত্য-বাদ্য, মঞ্চ, দলীয় সংগঠন আদিৰ ক্ষেত্ৰত কিছু সাদৃশ্যও পৰিলক্ষিত হয়। সেয়েহে দুয়োবিধ লোকনাট্যনুষ্ঠানৰ তুলনামূলক অধ্যয়নৰ জৰিয়তে কিছুমান নতুন তথ্য আৰু গুৰুত্বপূৰ্ণ দিশ উন্মোচিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি । সেয়েহে গৱেষণা পত্ৰখনত দুয়োবিধ লোকনাট্যৰ এক তুলনামূলক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব। ●●●●

# ভাৰীগান আৰু লোকবিশ্বাস ঃ এটি অধ্যয়ন

আবু আয়ুব আহমেদ
সহকাৰী অধ্যাপক, লুইতপৰীয়া মহাবিদ্যালয়
গৱেষক ছাত্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়

লোকসংস্কৃতিৰ বহল পথাৰখনত লোকপৰিৱেশ্যকলাই বিশেষ স্থান দখল কৰি আছে। বিশাল ভাৰত ভূ-খণ্ডত লোকপৰিৱেশ্যকলাৰ আঞ্চলিক ৰূপসমূহ অতি প্ৰাচীন কালৰে পৰাই চৰ্চিত হৈ আহিছে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ অসমভূমিৰ বৈচিত্ৰ্যময় লোকসংস্কৃতি সমগ্ৰ ভাৰতত সৰ্বজনবিদিত আৰু বিশেষভাবে সমাদৃত। মধ্যযুগৰ ভাৰতীয় লোকনাট্যানুষ্ঠান সমূহৰ লেখীয়াকৈ অসমতো ওজাপালি, ভাৰীগান, কুশানগান, খুলীয়া ভাউৰীয়া, ঢুলীয়া ভাওনা আদি কিছুমান গীত-নৃত্যধৰ্মী লোকপৰিৱেশ্যকলা বিশেষভাৱে প্ৰচলিত। অসমীয়া লোকসংস্কৃতিৰ অন্তৰ্গত লোকপৰিৱেশ্যকলাৰ অন্যতম উপাদান ভাৰীগান অসম-মেঘালয়ৰ সীমামূৰীয়া অঞ্চলত বিশেষকৈ গোৱালপাৰা আৰু কামৰূপ জিলাৰ ৰাভা অধ্যুষিত এলেকাত প্ৰচলিত হৈ আছে। অভিনয় কম কিন্তু সংগীত প্ৰধান এই লোকনাট্যানুষ্ঠানটিৰ এজন প্ৰধান ভাৰৱীয়া আৰু এদল সহযোগী কলা-কুশলী থাকে। ধূতি-চাদৰ পৰিধান কৰি কেতিয়াবা মুখ্য ভাৰৱীয়াই ডিঙিত ৰুদ্ৰাক্ষৰ মালা পিন্ধি হাতত চোঁৱৰ লৈ নাচি-বাগি পদ গায় আৰু অন্যান্য কলা-কুশলীসকলে সহযোগ কৰে। মুখাৰ ব্যৱহাৰ ভাৰীগানত অপৰিহাৰ্য অংগ। বহুৱা চৰিত্ৰ সদৃশ ভাৰীগানত 'কেতুৱা' চৰিত্ৰৰ ভূমিকাও মনকৰিবলগীয়া।

ৰামায়ণ আৰু মহাভাৰতৰ আখ্যানৰ আধাৰত ৰচিত এই ভাৰীগান চহা-জীৱনৰ সৈতে নিবিড়ভাৱে সংপৃক্ত। ভাৰীগান ধৰ্মীয় বিশ্বাসৰ পৰা উৎপত্তি হোৱা লোকনাট্যানুষ্ঠান। লোকমনোৰঞ্জন আৰু আধ্যাত্মিক প্ৰভাৱপুষ্ট এই ভাৰীগানসমূহে সামাজিক আৰু সাংস্কৃতিক জীৱন শৃংখলিত ৰূপে পৰিচালিত কৰিবলৈ বিশেষভাৱে সহায় কৰে। যাৰ বাবে আৰম্ভণিৰ পৰাই লোকসমাজে এই অনুষ্ঠানটোৰ লগত জড়িত কিছুমান মংগল-অমংগল সূচক বা ধৰ্মীয় ভাৱযুক্ত লোকবিশ্বাস পালন কৰি আহিছে। সেয়েহে এনে পৰিৱেশ্য কলাসমূহৰ উদ্ভৱ আৰু পৰিৱেশনৰ লগত জড়িত একাধিক জনশ্ৰুতি আৰু লোকবিশ্বাস জনসমাজত প্ৰচলিত হৈ আছে। ভাৰীগান সৃষ্টিৰ সময়ৰে পৰাই লোকসমাজে ভাৰীগানৰ মুখা আৰু অন্যান্য সামগ্ৰীসমূহ ঐশ্বৰিক গুণৰূপে প্ৰতিষ্ঠাকৰি নানা বিশ্বাস আৰোপিত কৰি আহিছে। নাট পৰিৱেশন কৰাৰ ক্ষেত্ৰত মূল ভাৰৱীয়াজনে কিছুদিন আগৰপৰাই সতৰ্কতা অৱলম্বন কৰি পৱিত্ৰ আৰু শুদ্ধ মনেৰে গীত পৰিৱেশন কৰিলে ভুল-ত্ৰুটি নোহোৱাকৈ বিৰতিহীনভাৱে গাবলৈ শক্তিপ্ৰাপ্ত হয় বুলি লোকবিশ্বাস এতিয়াও প্ৰচলিত। এনেদৰে আলোচনা কৰিলে দেখা যায় যে ভাৰীগানৰ লগত জড়িত আৰু বহুতো লোকবিশ্বাস জনসমাজত প্ৰচলিত হৈ আছে। বৰ্ণিল অসমীয়া সংস্কৃতিৰ ভড়াল

সমৃদ্ধিশালী কৰিবলৈ ভাৱীগান নামৰ এই লোকনাট্যানুষ্ঠানটিৰ বিষয়ে বিজ্ঞানসন্মত অধ্যয়ন কৰাৰ খুবেই প্ৰয়োজন । আমাৰ মূল আলোচনা পত্ৰখনত এই বিষয়ে বিতং অধ্যয়ন কৰা হ'ব।

এই আলোচনা পত্ৰ খনৰ যোগেদি অসমত প্ৰচলিত ভাৱীগান লোকনাট্যানুষ্ঠানটিৰ লগত জড়িত লোকবিশ্বাস সমূহৰ এটি সংৰক্ষিত ৰূপ দি বিলুপ্তপ্ৰায় ভাৱীগানৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰাই হ'ব আমাৰ মূল উদ্দেশ্য। বৰ্তমানলৈ অসমীয়া সংস্কৃতিৰ অন্তৰ্গত লোকপৰিৱেশ্যকলাৰ অন্যতম উপাদান ভাৱীগান লোকনাট্যানুষ্ঠানটিৰ বিষয়ে প্ৰণালীবদ্ধভাৱে বিজ্ঞানসন্মত অধ্যয়ন পৰ্যাপ্তপৰিমাণে হোৱা নাই ; এই দিশত আলোকপাত কৰাটো আমাৰ আলোচনাৰ পত্ৰখনৰ উদ্দেশ্য । পত্ৰখন প্ৰস্তুত কৰোতে সমল সংগ্ৰহৰ ক্ষেত্ৰত মুখ্য আৰু গৌণ দুয়োটা উৎসই ব্যৱহাৰ কৰা হ'ব। মুখ্য উৎসৰ ভিতৰত বিভিন্ন ভাৱীগান দলসমূহৰ দলপতি আৰু অন্যান্য কলা-কুশলীসকলৰ সাক্ষাৎ গ্ৰহণ আৰু গৌণ উৎসৰ ভিতৰত বিষয়বস্তুৰ লগত জড়িত বিভিন্ন গ্ৰন্থ, আলোচনী আদিৰ পৰা সমল সংগ্ৰহ কৰা হ'ব। বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক দুয়োটা পদ্ধতিৰে আলোচনা পত্ৰখন প্ৰস্তুত কৰা হ'ব। ●●●●

# অসমৰ লোক নাট্যানুষ্ঠানত -ভাৱীগানঃ এটি অধ্যয়ন

**তৰালী বড়ো**

সহকাৰী অধ্যাপিকা, বৰমা মহাবিদ্যালয়

লোকনাট্য বা Folk Drama পদটিয়ে দুটা অৰ্থ সূচিত কৰে। যি নাট লোকজীৱনৰ বাবে ৰচিত অথবা যি নাট লোকবিদ্যাৰ সক্রিয় ধাৰকে মুখে মুখে ৰচনা কৰে। সাধাৰণতে লিখিত নাটেই সাহিত্যিক নাট অৰ্থাৎ Literary Drama আৰু মুখ পৰম্পৰা প্ৰচলিত আৰু লিখিত ৰূপ গ্ৰহণ নকৰা নাটেই লোকনাট্য বা Folk Drama.

ভাৱীগান গোৱালপাৰা আৰু বিশেষকৈ দক্ষিণ গোৱালপাৰাৰ এটা উল্লেখযোগ্য অনুষ্ঠান। ভাৱীগানক কোনো কোনোৱে ভাওগান বুলি কোৱা শুনা যায়। সেইফালৰ পৰা ভাৱী শব্দ ভাৱৰীয়া শব্দৰেই বিকৃত ৰূপ বুলি ভাবিব পাৰি। ভাৱীগানৰ বিষয়বস্তু সাধাৰণতে ৰামায়ণৰ পৰা গ্ৰহণ কৰা হয়। সৰহভাগ অনুষ্ঠানৰ দৰে ইয়াত মূলৰ হাতত বেনা অথা দোত্‌ৰাৰ পৰিবৰ্তে এডাল চোঁৱৰ থাকে। হাতত চোঁৱৰ লৈ নাচি নাচি মূলে গীত গাই যায় আৰু পালিসকলে একে ঠাইতে থিয় হৈ খোল, তাল বজাই তেওঁৰ লগত সহযোগ কৰে। দোত্‌ৰা গানৰ বিপৰীতে ভাৱীগানত অংগী-ভংগীৰ স্থান আছে। কিন্তু, সংলাপৰ ব্যৱহাৰ প্ৰায় নাই বুলিয়েই ক'ব পাৰি। গীতৰ লগে লগে মূলে বিষয়ৰ সৈতে সংগতি ৰাখি নাটকীয় ভংগী প্ৰদৰ্শন কৰে। গৱেষণা পত্ৰখনত এই লোক নাট্যানুষ্ঠানটিৰ সকলো দিশ সাঙুৰি আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব। ●●●●

# অসমৰ দুই লোক নাট্যানুষ্ঠান ভাৰীগান, খুলীয়া ভাউৰীয়া আৰু এই দুই নাট্যানুষ্ঠানৰ পৰিৱৰ্তন ঃ এক সমীক্ষা

শ্রীনৱনীতা গোস্বামী
অধ্যাপিকা, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়
অসমীয়া বিভাগ

'খুলীয়া ভাউৰীয়া' হ'ল দৰং অঞ্চলৰ এক আকৰ্ষণীয় লোক নাট্যানুষ্ঠান আৰু 'ভাৰীগান' হ'ল দক্ষিণ গোৱালপাৰা অঞ্চলৰ এক অন্যতম তথা আকৰ্ষণীয় লোক নাট্যানুষ্ঠান। প্ৰথম অৱস্থাত খুলীয়া ভাউৰীয়া অনুষ্ঠানটো বেছিকৈ কামৰূপতহে প্ৰচলিত হৈছিল। ওড্ৰ মাগধী প্ৰবৃত্তি আশ্ৰিত খুলীয়া ভাউৰীয়া জনসাধাৰণৰ মাজত জন-শিক্ষা আৰু নৈতিক শিক্ষা দান কৰি আহিছে। দক্ষিণ গোৱালপাৰা অঞ্চলৰ ৰাভাসকলৰ মাজত প্ৰচলিত ভাৰীগানেও নানা কলা-কৌশলৰ মাজেৰে অঞ্চলটোত সংৰক্ষিত হৈ আছে। ভাৰীগানসমূহ ৰামায়ণ আৰু মহাভাৰতৰ আধাৰত ৰচিত। দুয়োটা অনুষ্ঠানৰে অংকীয়া নাটৰ লগত মিল থকা দেখা যায়। এই দুয়োটা অনুষ্ঠানতে অংকীয়া নাটৰ সূত্ৰধাৰে যিদৰে নাট্যানুষ্ঠান আৰম্ভ কৰে ঠিক তেনেকৈ খুলীয়া ভাউৰীয়াৰ খুলীয়া আৰু ভাৰীগানৰ ভাউৰীয়াজনে হাতত চোঁৱৰ লৈ নাচি নাচি অনুষ্ঠান আৰম্ভ কৰে। দুয়োটা অনুষ্ঠানতে পদেৰে নাটকৰ কাহিনীৰ আগজাননী দিয়া হয়। খোল বাদন, সংগীত এই দুবিধ লোকনাট্য অনুষ্ঠানৰ অপৰিহাৰ্য অংগ। খুলীয়া ভাউৰীয়া অনুষ্ঠানৰ অভিনয়ৰ তুলনাত ভাৰীগানত অভিনয় অৱশ্যে বেছি। কিন্তু দুয়োটা অনুষ্ঠানৰে কাহিনী ৰামায়ণ, মহাভাৰতৰ কাহিনী সম্বলিত অৰ্থাৎ যুদ্ধ বিষয়ক। দুয়োটা অনুষ্ঠানতে বহুৱা আৰু কেতুৱাৰ চৰিত্ৰই নাটকৰ গুৰু-গম্ভীৰ স্পৰ্শকাতৰ মুহূৰ্তত প্ৰৱেশ কৰি জনসাধাৰণক হাস্য ৰসৰ খোৰাক দিয়ে। প্ৰয়োজন সাপেক্ষে দুয়োটা নাট্যানুষ্ঠানতে চৰিত্ৰ অথবা বহুৱা, কেতুৱাৰ লগত সংলাপ প্ৰয়োগৰ উদাহৰণ নথকা নহয়। দুয়োটা অনুষ্ঠানতে বহুৱা, কেতুৱাই প্ৰয়োজন সাপেক্ষে ৰাইজক আমোদ দিয়াৰ অৰ্থে মুখাৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। মুখা অভিনয় আৰু মুখাৰ ব্যৱহাৰ খুলীয়া ভাউৰীয়া আৰু ভাৰীগানৰ প্ৰধান উপজীব্য বুলি ক'ব পাৰি।

দৰাচলতে সমগ্ৰ ভাৰতবৰ্ষতেই জনসাধাৰণৰ ওপৰত ৰামায়ণ, মহাভাৰতৰ প্ৰভাৱ মনকৰিবলগীয়া। এনে ক্ষেত্ৰত এই ধৰণৰ নাট্যানুষ্ঠানসমূহে মানুহক মহাভাৰত, ৰামায়ণৰ কাহিনী ভাগ মনত পেলোৱাত যথেষ্ট সহায়ক হয়। বৰ্তমান সময়ত অৱেশ্য এই ধৰণৰ নাট্যানুষ্ঠানসমূহত অভিনেতাসকলে ব্যৱহাৰ কৰা বিভিন্ন সাজ-পোছাক, সংলাপ, গীত-মাত, মুখা আদিত কিন্তু পৰিৱৰ্তন দেখা যায়। উদাহৰণ স্বৰূপে আজিকালি দুৰ্গপূজা আৰু আন আন পূজাসমূহতো সমাজৰ নিমন্ত্ৰণ সূত্ৰে বিভিন্ন নাট্যদলে অনুষ্ঠান পৰিৱেশন কৰে। কিন্তু এই অনুষ্ঠান পুৰণি কালত নাটকত ব্যৱহাৰ হ'বলগীয়া সাজ-পাৰ যিদৰে ব্যৱহাৰ হৈছিল বৰ্তমান কিন্তু কালৰ সোঁতত তেনেবোৰ সাজ-পাৰৰ অভাৱ পৰিলক্ষিত হয়। মুখা আছিল এই অনুষ্ঠানৰ অপৰিহাৰ্য অংগ।

কিন্তু বৰ্তমান এই বিধ সামগ্ৰীক আধুনিকতাই গ্ৰাস কৰাৰ দৰে অনুভৱ হয়।

গতিকে অনুষ্ঠান দুটিত এই ধৰণৰ পৰিৱৰ্তনৰ কথা ব্যক্ত কৰিবলগীয়া হৈছে যদিও ই আমাৰ কাম্য নহয়। আজিৰ দিনত ভাৱীগান এনে সামগ্ৰীৰ অভাৱত প্ৰায় বিলুপ্ত হোৱাৰ পথত।

সেয়েহে এইসমূহ অনুষ্ঠান জীয়াই ৰাখিবলৈ সমাজে ইয়াক দুখ লগা পৰিবৰ্তনশীলতাৰ প্ৰতি গুৰুত্ব দি উপযুক্ত ব্যৱস্থা কৰা উচিত বুলি মই ভাবো।●●●●

# "ভাৰীগান আৰু কুশান গান- গোৱালপাৰা লোক সংস্কৃতিৰ দুটা অনবদ্য লোক নাট্যানুষ্ঠান"

**শ্ৰী বুলমণি কলিতা**

অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ

বৰমা মহাবিদ্যালয়, বৰমা

অবিভক্ত গোৱালপাৰা জিলাৰ দুটা অনবদ্য লোকনাট্যানুষ্ঠান হৈছে কুশানগান আৰু ভাৰীগান। যিহেতু 'গান' শব্দটোৰ লগত গীত আৰু অভিনয় জড়িত হৈ থাকে, সেয়েহে 'কুশান গান' আৰু ভাৰীগানেও লোক নাট বা অভিনয়কে সামৰি লোৱা দেখা যায়। কোচসকলে গোৱা গানৰ পৰা কুশান গান নাইবা ৰামচন্দ্ৰৰ পুত্ৰ কুশৰ পৰা কুশান গানৰ উৎপত্তি হোৱা বুলি বিশ্বাস কৰা দেখা যায়। সেয়েহে কুশান গান পৰিবেশন কৰোঁতে ৰামায়ণৰ কাহিনীক অধিক গুৰুত্ব দিয়া দেখা যায়। কিন্তু ঠাই বিশেষে মহাভাৰত আৰু পুৰাণৰ কাহিনীও পৰিৱেশন কৰা হয়। একেদৰে ৰামায়ণ আৰু মহাভাৰতৰ আখ্যানৰ আধাৰত দক্ষিণ গোৱালপাৰা অঞ্চলত ভাৰীগান প্ৰচলন হৈ অহা দেখা পোৱা যায়। বিশেষকৈ ৰাভা জনজাতিৰ লোকসকলৰ মাজতহে ভাৰীগান সংৰক্ষিত হৈ অহা দেখিবলৈ পোৱা যায়। এজন প্ৰধান ভাৰৱীয়াৰ লগত এদল সহযোগীৰ সৈতে নাচি-বাগি অভিনয়ৰ জৰিয়তে মানুহৰ মনত বিশেষভাৱে ঠাই ল'বলৈ সক্ষম হৈছে। গোৱালপৰীয়া জনজীৱনত এই দুই লোক নাট্যানুষ্ঠানৰ প্ৰভাৱ অনস্বীকাৰ্য। লোক নাট্যানুষ্ঠান দুটিয়ে নাট্যাভিনয়ৰ জৰিয়তে হাস্য-ব্যংগৰ সৃষ্টি কৰি তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে কুশান গান আৰু ভাৰীগানৰ আলোচনা বিশ্লেষণাত্মক পদ্ধতিৰে কৰিবলৈ চেষ্টা কৰা হ'ব। আলোচনাৰ প্ৰসঙ্গত কেইখনমান গ্ৰন্থৰ সহায় লোৱা হ'ব। ●●●●

# অসমৰ পশ্চিম অঞ্চলৰ প্ৰচলিত লোক-নাট্যানুষ্ঠান 'কুশান গান' ঃ এটি অধ্যয়ন

**গোবিন্দ বৈশ্য**
অংশকালীন সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জনতা মহাবিদ্যালয়
**ড° ডিম্বেশ্বৰ দাস**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
গোসাইগাওঁ মহাবিদ্যালয

অবিভক্ত গোৱালপাৰা জিলাই বঙ্গাইগাওঁ, ধুবুৰী, গোৱালপাৰা ; কোকৰাঝাৰ আৰু চিৰাং নামেৰে বৰ্তমান পাঁচখন সুকীয়া জিলাৰূপে খ্যাতি লাভ কৰি পশ্চিম অসমৰ এক ঐতিহ্যমণ্ডিত অঞ্চলৰূপে চিহ্নিত হৈ আছে। বৈচিত্ৰ্যধৰ্মী ভাষা, কলা, সংস্কৃতিয়ে এই অঞ্চলটো লোক সংস্কৃতিৰ যাদুঘৰত পৰিণত কৰিছে।

পশ্চিম অসমত বসবাস কৰি অহা বড়ো, ৰাভা, কোচ-ৰাজবংশী, আদিবাসী, ব্ৰাহ্মণ, কলিতা, মুছলমান আদি জনগোষ্ঠীয়ে গঢ়ি তুলিছে সমন্বয়ৰ সংস্কৃতি। অবিভক্ত গোৱালপাৰা জিলাৰ অন্যতম জনগোষ্ঠী হৈছে কোচ-ৰাজবংশীসকল। কোচ-ৰাজবংশী লোক সকলে মৈষালগীত, মাউতৰ গীত, পদ্মপুৰাণৰ গীত, বাশী পুৰাণ, মাৰৈ পূজাৰ গীত, বাঁশ পূজা, থলুৱা উৎসৱ পৰ্ব আদি বিভিন্ন উপাদানেৰে সমৃদ্ধ কৰিছে।

প্ৰস্তাৱিত গৱেষণা পত্ৰখনত কোচ-ৰাজবংশী লোকসকলৰ লোকনাট্য কুশান গানৰ বিষয়ে আলোচনা কৰা হ'ব। কুশান গান হৈছে নৃত্য-গীত অভিনয়, সংলাপ সমৃদ্ধ এটি লোক-নাট্যানুষ্ঠান। এই লোক-নাট্যানুষ্ঠানটো সাধাৰণতে ৰাজহুৱা পূজা-পাৰ্বন যেনে- দুৰ্গা পূজা, লক্ষ্মী পূজা, শিৱৰাত্ৰি, মাৰৈ পূজা, দৌল উৎসৱ বিভিন্ন পূজাস্থলীত অনুষ্ঠিত হোৱা মেলা আদিত পৰিৱেশিত হোৱা দেখা যায়।

সময়ৰ পৰিবৰ্তনৰ লগে লগে কুশান গানৰ পৰিৱেশনত তাৰতম্য পৰিলক্ষিত হোৱা দেখা যায়। সাজ-সজ্জা, বাদ্যযন্ত্ৰ, মঞ্চ আদিৰ ক্ষেত্ৰত পৰিৱৰ্তন লক্ষ্য কৰা যায়।

গৱেষণা পত্ৰখনত লোক-নাট্য হিচাপে কুশান গানৰ পৰম্পৰা আৰু পৰিৱৰ্তন সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব। ●●●●

# অসমীয়া সমাজত প্ৰচলিত লোক-নাট্যানুষ্ঠান ঃ এক আলোচনা

শ্ৰীমৃনাল চন্দ্ৰ বৈশ্য
শ্ৰীব'দালি সপোন বৰগোহাঞি
গৱেষক ছাত্ৰ-ছাত্ৰী
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সকলো জাতিৰ সংস্কৃতিয়েই নৈৰ দৰে প্ৰৱাহমান। নৈৰ ধৰ্মই সংস্কৃতিৰ ধৰ্ম। সময়ৰ সোঁতত সংস্কৃতিৰ যোগ-বিয়োগ হয়। অসমীয়াত সংস্কৃতি শব্দ নিস্পন্ন হৈছে সম + কৃতি হৈ; অৰ্থাৎ যি শিল্পকৰ্মত সম্যক সৃজনশীলতা আছে, সৌন্দৰ্য্য আছে, মানৱতা আছে সেয়েই সংস্কৃতি। এই সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। এই ব্যাপকতাৰে লৈ চাই সংস্কৃতিক বিভিন্ন ভাগত ভাগ কৰা হৈছে। তাৰে এটা ভাগ হ'ল লোক-সংস্কৃতি। ইংৰাজী "Folk-lore" শব্দৰ সমাৰ্থক হিচাপে অসমীয়া ভাষাত 'লোক-সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰা হয়। কৃষক সমাজৰ মাজতেই লোক-সংস্কৃতি সমূহে গঢ় লৈ উঠিছিল। এই কৃষক সকল আছিল নিৰক্ষৰ গঞাঁ আৰু সমাজৰ তথাকথিত নিম্নস্তৰৰ লোক। অৰ্থাৎ লোক সমাজ বা কৃষক সমাজৰ পটভূমিতেই লোক-সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ হৈছিল। অসমীয়া লোক-সংস্কৃতিক চাৰিটা ভাগত ভগাব পাৰি ঃ- ১) মৌখিক সাহিত্য, ২) সামাজিক লোক-প্ৰথা বা লোকাচাৰ, ৩) ভৌতিক সংস্কৃতি আৰু ৪) লোক-পৰিবেশ্য কলা।

পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত। কোনো গীত গোৱা , সাধুকথা কোৱা, নাটক এখন কৰাকে পৰিৱেশন কৰা বোলে। অসমীয়া সমাজত পুৰণি কালৰ পৰাই লোক-নাট্যানুষ্ঠানসমূহৰ প্ৰচলন হৈ আহিছে। পুতলা নাচ, খুলীয়া ভাউৰীয়া , কুশান গান ,ভাৰী গান, ওজাপালি আদি লোক-নাট্যানুষ্ঠানৰ নিদৰ্শন। অসমীয়া চহা সমাজৰ মনোৰঞ্জনৰ বাবেই মূলতঃ লোক-নাট্যানুষ্ঠানসমূহৰ জন্ম হৈছিল। ইয়াৰ দ্বাৰা ধৰ্ম প্ৰচাৰ, নীতিজ্ঞান দান , সমাজৰ বিভিন্ন দিশ পোহৰাই তোলা হৈছিল। এই লোক-নাট্যানুষ্ঠানে সমাজত বিভিন্ন জ্ঞানৰ খোৰাক যোগান ধৰিছিল। অসমীয়া লোক-সংস্কৃতিৰ ভঁড়াল চহকী কৰাত লোক-নাট্যানুষ্ঠান সমূহৰ এক বিশেষ ভূমিকা আছে। এনেদৰে মননশীল চিন্তাৰে বিশ্লেষনাত্মক অধ্যয়নৰ যোগেদি ভুমুকি মাৰি আমাৰ গৱেষনা পত্ৰখনত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ব।●●●●